# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-08-2024 **Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। অসম বিধানসভাৰ আজি চতুৰ্থ দিনত ৬ খন সংশোধনী বিধেয়ক উত্থাপনৰ প্ৰস্তাৱ।

২। দুদিনীয়া ভ্ৰমণসূচীৰে আজি চিৰাঙত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ড° এল মুৰুগন।

৩। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ প্ৰশান্ত মহাসাগৰীয় দ্বীপসমূহৰ গোট চমুকৈ পেচিফিক আইলেণ্ড ফ'ৰামৰ বৈঠকত অংশগ্ৰহণ।

**আৰু**

৪। পেৰিছত কালিৰে পৰা পেৰালিম্পিক ২০২৪ প্ৰতিযোগিতা আৰম্ভ।

০০০০০০০

অসম বিধানসভাৰ অধিৱেশনৰ আজি চতুৰ্থ দিনটোত ৬ খন সংশোধনী বিধেয়ক উত্থাপন কৰা হ'ব। ইয়াৰ লগতে বিবেচনাৰ বাবেও এখন বিধেয়ক উত্থাপন হ'ব। উত্থাপন হ'বলগীয়া সংশোধনী বিধেয়কৰ ভিতৰত আছে- দা আছাম টেনেন্সি এমেণ্ডমেণ্ট বিল ২০২৪, দা আছাম ৰিপিলিং বিল ২০২৪, দা আছাম ভেটেৰীনেৰী এণ্ড ফিছাৰী ইউনিভাৰ্চিটী বিল ২০২৪, দা আছাম স্কিলছ্ ইউনিভাৰ্চিটী এমেণ্ডমেণ্ট বিল ২০২৪ আৰু দা মৰাণ অটোন'মাছ্ কাউন্সিল এমেণ্ডমেণ্ট বিল ২০২৪। ইয়াৰ লগতে দা আছাম আৰ্বান ৱাটাৰ ব'ডিজ (প্ৰিজাৰভেচন এণ্ড কনজাৰভেচন বিল ২০২৪) শীৰ্ষক বিধেয়কখনো বিবেচনাৰ বাবে আজি বিধানসভাত উত্থাপন কৰা হ'ব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে কলকাতাৰ এগৰাকী চিকিৎসকৰ বলাৎকাৰ আৰু হত্যাৰ ঘটনাই সমগ্ৰ ৰাষ্ট্ৰকে জোকাৰি গৈছে আৰু সকলো লোকে আৰু সহ্য কৰা নহ'ব বুলি একেলগে কোৱাৰ সময় আহি পৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কালি সামাজিক মাধ্যমযোগে এটা বিবৃতি শ্বেয়াৰ কৰি এইদৰে প্ৰকাশ কৰিছে। তেওঁ কয় যে শেহতীয়াকৈ মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ বৰ্ধিত ঘটনাই আমাক এই সমস্যাৰ মূল কাৰণৰ সম্ভেদ উলিওৱাৰ বাবে আত্ম-বিশ্লেষণৰ প্ৰয়োজনৰ কথা সোঁৱৰাই দিছে। এই ঘটনাই তেওঁক নিৰাশ আৰু স্তব্ধ কৰি তুলিছে বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে এয়া এনেধৰণৰ একমাত্ৰ ঘটনা নহয়, মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ অংশহে। তেওঁ কয় যে এই ঘটনাক লৈ কলকাতাত শিক্ষাৰ্থী, চিকিৎসক আৰু জনসাধাৰণে প্ৰতিবাদ সাব্যস্ত কৰি থকাৰ সময়ত অপৰাধীসকলে অন্য স্থানত নিৰ্ভয়ে ঘূৰি ফুৰিছে। এনে ঘটনাক লৈ ক্ষেত্ৰত জনসাধাৰণৰ ক্ষোভ যুক্তিসংগত বুলি মত প্ৰকাশ কৰি তেওঁ কয় যে সমাজ হিচাপে আমি নিজকে কেতবোৰ জটিল প্ৰশ্ন সোধাৰ সময় আহি পৰিছে।

একাংশ অসাধাৰণ আৰু সাহসী মহিলাই তুলনামূলকভাৱে কম ভাগ্যশালী ভগ্নীসকলৰ বাবে সামাজিক বিপ্লৱৰ সুফল লাভ কৰাটো সম্ভৱ কৰি তুলিছে বুলি শ্ৰীমুৰ্মুৱে উল্লেখ কৰে। আনহাতে, কেৱল ভাৰততে নহয়, সমগ্ৰ বিশ্বতে একেধৰণৰ পৰিস্থিতিয়ে বিৰাজ কৰা বুলিও তেওঁ আক্ষেপ কৰে।

দিল্লীৰ নিৰ্ভয়া কাণ্ডৰ কথা স্মৰণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ২০১২ চনৰ ঘটনাক লৈ সমগ্ৰ দেশ ব্যাথিত হৈছিল আৰু ক্ষোভৰ উদ্গীৰণ হৈছিল। জনসাধাৰণে আৰু এগৰাকী নিৰ্ভয়াৰ সৈতে একেধৰণৰ ঘটনা সংঘটিত হ'ব দিয়া নহ'ব বুলি দৃঢ় সংকল্প গ্ৰহণ কৰিছিল। চৰকাৰেও পৰিকল্পনা আৰু ৰণনীতি প্ৰস্তুত কৰিছিল আৰু এই

পদক্ষেপসমূহৰ ফলত কিছু পৰিৰৰ্তনো দেখিবলৈ পোৱা গৈছিল। তেওঁ কয় যে, যেতিয়ালৈকে মহিলাসকলে বাস কৰা অথবা কৰ্মস্থানত নিৰাপদ অনুভৱ নকৰে তেতিয়ালৈকে এই কাম আধৰুৱা হৈ থাকিব। ৰাষ্ট্ৰীয় ৰাজধানীত সংঘটিত সেই শোকাৱহ ঘটনাৰ পাছৰ ১২ বছৰত একেধৰণৰ অসংখ্য ঘটনা ঘটিছে যদিও একাংশ ঘটনাইহে সমগ্ৰ দেশৰ দৃষ্টি আকৰ্ষণ কৰিছে। আনকি এই ঘটনাসমূহ শীঘ্ৰে পাহৰণিৰ গৰ্ভত বিলীন হৈ গৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে দেশবাসীয়ে ঘটনাসমূহৰ পৰা কিবা শিকনি লৈছে নেকি বুলিও প্ৰশ্নৰ অৱতাৰণা কৰে। তেওঁ কয় যে সামাজিক প্ৰতিবাদ কম হোৱাৰ লগে লগে এই ঘটনাসমূহ সামাজিক স্মৃতিৰ অটল তলীত বিলীন হৈ যায় আৰু একে ধৰণৰ অন্য অপৰাধ সংঘটিত হ'লেহে ঘটনাসমূহৰ কথা স্মৰণ কৰা হয়। পাহৰি যোৱাৰ এই সমূহীয়া ৰোগক বিকৃত মানসিকতাৰ সৈতে তুলনা কৰি ৰাষ্ট্ৰপতি মুৰ্মুৱে নিজ কন্যাসকলক ভয়ৰ পৰা মুক্ত কৰি তেওঁলোকৰ পথৰ বাধা আঁতৰ কৰাটো দেশৰ জনসাধাৰণৰ দায়িত্ব বুলি মত প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে জলবিদ্যুৎ প্ৰকল্পৰ বিকাশৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য চৰকাৰসমূহৰ সম অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে শক্তি মন্ত্ৰালয়ৰ দ্বাৰা প্ৰস্তাৱিত বিত্তীয় সাহায্যৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই আঁচনিৰ বাবে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ পৰা ২০৩১-৩২ বিত্তীয় বৰ্ষ পৰ্যন্ত ৪ হাজাৰ ১শ কোটিৰো অধিক টকাৰ পুঁজি ধাৰ্য কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰীসভাই দেশৰ ২৩৪ খন চহৰত নতুনকৈ ৭৩০ টা ব্যক্তিগত এফ এম চেনেলৰ বাবে ই-নিলামৰ আয়োজন কৰাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। স্থানীয় ভাষাত সমল সৃষ্টিক উৎসাহিত কৰা আৰু নিয়োগৰ সুযোগ সৃষ্টি কৰাৰ উদ্দেশ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। মন্ত্ৰীসভাৰ এই সিদ্ধান্তই ইতিপূৰ্বে এফ এমৰ সুবিধা নথকা দেশৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ চহৰসমূহৰ লগত এফ এম ৰেডিঅ'ক সংযোজন কৰাৰ লগতে স্থানীয় প্ৰতিভাসমূহক বিকশিত কৰাত সহায় কৰিব বুলি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্তব্য কৰে।

আনহাতে, কেন্দ্ৰীয় মন্ত্ৰীসভাই কৃষিৰ প্ৰগতিশীল সম্প্ৰসাৰণৰ বাবে আন্তঃগাঁথনি পুঁজিতো অনুমোদন জনাইছে। ইয়াৰ জৰিয়তে দেশৰ ভিন্ন প্ৰান্তত কৃষি আন্তঃগাথনি শক্তিশালী হোৱাৰ লগতে কৃষক সমাজৰ সহায় হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ড০ এল মুৰুগনে আজি চিৰাঙত উপস্থিত হ'ব। চিৰাঙৰ কাজলগাঁওস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত বিয়লি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এখন সভাত মিলিত হ'ব। ইয়াৰ পাছতে সাংসদ আৰু বিধায়কসকলৰ সৈতেও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এখন বৈঠকত মিলিত হ'ব। বঙাইগাঁও শোধনাগাৰৰ অতিথিশালাত নিশাটো কটাই কাইলৈ জিলাখনৰ অংগনৱাড়ী কেন্দ্ৰ, বিদ্যালয় পৰিদৰ্শন কৰাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী ড০ মুৰুগনে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ সুবিধা লাভ কৰা হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কাইলৈ হিন্দুস্তান পেট্ৰ'লিয়াম ক'ৰ্পৰেচন লিমিটেডৰ তৈল ভাণ্ডাৰ প্ৰকল্প পৰিদৰ্শন কৰি বিয়লি চুবুৰীয়া ৰাষ্ট্ৰ ভূটানলৈ ৰাওনা হ'ব।

০০০০০০০০

ওৰাং ৰাষ্ট্ৰীয় উদ্যানত কালি বাঘৰ আক্ৰমণত এজন পহৰাৰত বনৰক্ষীয়ে প্ৰাণ হেৰুৱায়। ৰাষ্ট্ৰীয় উদ্যানখনৰ বিলপাৰ এলেকাত নিয়মীয়া তহলৰ সময়ত ধনমণি ডেকা নামৰ কৰ্তব্যৰত গৃহৰক্ষী জোৱানজনক অকস্মাৎ অৰণ্যৰ পৰা ওলাই অহা ঢেকীয়াপতিয়া বাঘ এটাই জংঘলৰ মাজলৈ টানি লৈ যায়। বিয়লি প্ৰায় চাৰে ৫ বজাত সংঘটিত এই আকস্মিক ঘটনাটোক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা চাঞ্চল্যকৰ পৰিস্থিতিৰ মাজতে ৰাষ্ট্ৰীয় উদ্যানখনত কৰ্মৰত বনৰক্ষীসকলৰ লগতে উদ্যান কৰ্তৃপক্ষই জোৱানজনৰ সন্ধানত অভিযান আৰম্ভ কৰে। পৰৱৰ্তী সময়ত ঘটনাস্থলীৰ পৰা প্ৰায় ৩ কিলোমিটাৰ নিলগত ধনমণি ডেকাৰ ক্ষত-বিক্ষত মৃতদেহটো উদ্ধাৰ কৰা হয়। জোৱানজনৰ ঘৰ দৰঙৰ খটৰা সত্ৰৰ কাষৰীয়া নগাঁও-হাতীমাৰা গাঁৱত।

০০০০০০০০

চলিত বছৰৰ ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটা দেশৰ ৫০ গৰাকী কৃতী শিক্ষকলৈ আগবঢ়োৱা হৈছে। ডিব্ৰুগড়ৰ চিচিয়া বকুলনী ছোৱালী হাইস্কুলৰ সহকাৰী শিক্ষক দ্বীপেন খনিকৰেও এই বঁটা লাভ কৰিছে। শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৱে এই বঁটাৰ বাবে বাছনি লাভ কৰা শিক্ষকগৰাকীক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে দেশৰ ৫০ গৰাকী কৃতী শিক্ষকৰ মাজত স্থান লাভ কৰি শ্ৰী খনিকৰে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনক গৌৰৱান্বিত কৰিছে বুলি মন্তব্য কৰে। ইফালে শিক্ষকগৰাকীৰ সফলতাত বিদ্যালয়খনত আনন্দমুখৰ পৰিৱেশে বিৰাজ কৰিছে।

০০০০০০০০

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কালি অনুষ্ঠিত প্ৰশান্ত মহাসাগৰীয় দ্বীপসমূহৰ গোট চমুকৈ পি এফ আইৰ অংশীদাৰী দেশসমূহৰ বৈঠকত অংশগ্ৰহণ কৰে। টংগাৰ নুকু'আলোফাত অনুষ্ঠিত হোৱা এই সভাত ভাৰতৰ লগতে দক্ষিণ কোৰিয়া, আমেৰিকা, জাপান, ন'ৰৱে, ফ্ৰান্স আদিকে ধৰি ২১ দেশে অংশ লয়। আলোচনাত অংশ লৈ কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই প্ৰশান্ত মহাসাগৰীয় দ্বীপ দেশসমূহৰ উন্নয়নমূলক আকাংক্ষা আৰু জলবায়ু পৰিৱৰ্তনক লৈ দেশসমূহৰ একত্ৰিত প্ৰচেষ্টা তথা প্ৰত্যাহ্বান অতিক্ৰম কৰাৰ ক্ষেত্ৰত ভাৰতৰ ভূমিকাৰ কথা উল্লেখ কৰে। মন্ত্ৰী মাৰ্ঘেৰিটাই তেওঁৰ বক্তব্যত ২০২৩ চনত অনুষ্ঠিত তৃতীয় এফ আই পি আই চি শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰা এক্সন প্লেনৰ ৰূপৰেখাৰ কথাও উল্লেখ কৰে। ইয়াৰ লগতে মন্ত্ৰী মাৰ্ঘেৰিটাই প্ৰশান্ত মহাসাগৰীয় দ্বীপসমূহৰ ১৪ খন দেশত কুইক ইমপেক্ট প্ৰ'জেক্ট ৰূপায়ণৰ ক্ষেত্ৰত ভাৰতৰ সহযোগিতাৰ কথা জানিবলৈ দিয়ে।

০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে দেশৰ কৃষিভূমিসমূহ জৰীপ কৰিবলৈ গ্ৰহণ কৰা সুদূৰ প্ৰসাৰ ব্যৱস্থাৰ অংশ হিচাপে যোৰহাট জিলাতো প্ৰশাসনে ১৬ আগষ্টৰ পৰা ডিজিটেল শস্য জৰীপ অব্যাহত ৰাখিছে। এই পৰ্যন্ত জিলাখনত ৬৫ হাজাৰ ৮৫৪ টা দাগ নম্বৰত জৰীপ সম্পন্ন হৈছে। কৃষকসকলৰ সামগ্ৰিক কল্যাণৰ বাবে প্ৰযুক্তিগত ব্যৱস্থাৰে কৃষিজাত সামগ্ৰীৰ তথ্য সংগ্ৰহ কৰিবলৈ এই ব্যৱস্থা কৰা হৈছে। শস্য উৎপাদনৰ সঠিক তথ্যৰ পূৰ্বানুমান আৰু পৰিকল্পনা, সংগৃহীত তথ্যৰ ভিত্তিত কৃষি নীতি প্ৰস্তুতকৰণ, জলসিঞ্চন আৰু শস্য উৎপাদন সম্পৰ্কীয় বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰাত ডিজিটেল শস্য জৰীপে সহায় কৰিব। এই ব্যৱস্থাত উপগ্ৰহৰ পদ্ধতিৰে কৃষিসমূহৰ জৰীপ কৰা হ'ব।

০০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগৰ উদ্যোগত কালি ইলা কটকী বৰুৱা সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। পোন প্ৰথমবাৰৰ বাবে প্ৰদান কৰা এই বঁটা চলিত বৰ্ষত ভাগ্যশ্ৰী তামুলীলৈ আগবঢ়োৱা হয়। এই বঁটাত নগদ ১০ হাজাৰ টকাৰ লগতে মানপত্ৰ আৰু স্মাৰক প্ৰদান কৰা হয়। বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগৰ স্নাতকোত্তৰ পৰীক্ষাত সৰ্বোচ্চ নম্বৰ শিক্ষাৰ্থীলৈ এই বঁটা আগবঢ়োৱা হয়। কালি অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা সীমা বাৰ্মা বৰবৰাৰ লগতে বিভাগৰ অধ্যাপকসকলৰ লগতে শিক্ষাৰ্থীসকল উপস্থিত থাকে।

০০০০০০০

গুৱাহাটীৰ প্ৰতিৰক্ষা লেখ নিয়ন্ত্ৰকৰ উদ্যোগত বঙাইগাঁও জিলা আয়ুক্তৰ সন্মিলন কক্ষত কাইলৈ পদখনপঝ শীৰ্ষক এটা জনসম্পৰ্ক কাৰ্যসূচী সম্পন্ন কৰা হৈছে। এই কাৰ্যসূচী পুৱা চাৰে ৯ বজাৰ পৰা বিয়লি ৪ বজালৈ অব্যাহত থাকিব। এই কাৰ্যসূচীৰ জৰিয়তে পদখনপঝ পেন্সন প'ৰ্টেলৰ সৈতে জড়িত প্ৰতিৰক্ষা সেৱাৰ পেন্সনাৰ আৰু তেওঁলোকৰ পেন্সনভোগী পৰিয়ালসমূহৰ অভিযোগ নিষ্পত্তি কৰাৰ লক্ষ্য লোৱা হৈছে। বঙাইগাঁও, বাক্সা, চিৰাং, ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ বাসিন্দা পেন্সনাৰসকলক এই সুবিধা ল'বলৈ আহ্বান জনোৱা হৈছে।

০০০০০০০০

এন আৰ চিৰ খচৰা প্ৰস্তুতকৰণৰ পৰিপ্ৰেক্ষিতত আৰণ্টন প্ৰক্ৰিয়া বন্ধ কৰি ৰখা অসমৰ ৯ লাখ ৩৫ হাজাৰ ৬৮২ জন লোকৰ আধাৰ কাৰ্ড আৰণ্টনৰ বাবে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। সাংবাদিকসকলক সম্বোধন কৰি তেওঁ কয় যে, এন আৰ চিৰ বায়'মেট্ৰিক নথি গ্ৰহণৰ সৈতে সম্পৰ্কীত কাৰিকৰী কাৰণত ২০১৯ চনৰ ফেব্ৰুৱাৰীৰ পৰা আগষ্ট মাহ পৰ্যন্ত আধাৰ কাৰ্ড প্ৰস্তুতকৰণৰ প্ৰক্ৰিয়া ব্যাহত হৈ আছিল। বিষয়টোক লৈ ইতিপূৰ্বে কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰাৰ উপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰাৰ পাছত কেন্দ্ৰীয় চৰকাৰে সংশ্লিষ্ট সকলো দিশ বিবেচনা কৰি বন্ধ হৈ থকা আধাৰ কাৰ্ডসমূহ সক্ৰিয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ফলত ৰাজ্যখনৰ ৯ লাখ ৩৫ হাজাৰৰো অধিক লোকে পৰৱৰ্তী ১৫ৰ পৰা ৩০ দিনৰ ভিতৰত তেওঁলোকৰ আধাৰ কাৰ্ডসমূহ লাভ কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই জানিবলৈ দিয়ে।

০০০০০০০০

পেৰিছত কালি পেৰালিম্পিক ২০২৪ প্ৰতিযোগিতা আৰম্ভ হৈছে। পেৰিছত অনুষ্ঠিত আকৰ্ষণীয় অনুষ্ঠানৰ পাছত এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে আৰম্ভ হয়। প্ৰতিযোগিতা ১৬৭ খন দেশৰ ৪ হাজাৰ ৪০০ গৰাকী খেলুৱৈ অংশগ্ৰহণ কৰিছে। ২০২০ বৰ্ষৰ টকিঅ' অলিম্পিকৰ সোণৰ পদক বিজেতা জেভলিন খেলুৱৈ সুমিত অনতিল আৰু বিশ্ব অভিলেখ সৃষ্টি কৰা টেবল টেনিছ খেলুৱৈ ভাগ্যশ্ৰী যাদৱে উদ্বোধনী অনুষ্ঠানত ধবজা বহন কৰে। প্ৰতিযোগিতাত এইবাৰ ভাৰতৰ ৮৪ জনীয়া খেলুৱৈ দলে ভাগ লৈছে। এয়া হৈছে পেৰালিম্পিকত ভাগ লোৱা দেশৰ সৰ্ববৃহৎ দল। ভাৰতে ২২টা শিতানৰ বিতৰত ১২টাত ভাগ ল'ব।

কৃষ্ণা নাগৰে বেডমিণ্টনৰ পুৰুষৰ ছিংগলছৰ খিতাপ অক্ষুন্ন ৰখাৰ প্ৰয়াস কৰিব। আনহাতে অৱনি লেখাৰু আৰু মনিষ নৰেৱালে শ্বুটিঙৰ নিজ নিজ শাখাৰ বাবে সাজু হৈছে। ভাৰতীয় খেলুৱৈসকলে আজি আৰ্চাৰী, চাইক্লিং, টাইকাণ্ডো, ছুইমিং আৰু টেবল টেনিছত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ৮ ছেপ্তেম্বৰত প্ৰতিযোগিতাৰ সামৰণি পৰিব।

ইপিনে দেশৰ ১৪০ কোটি জনতাই পেৰিছ পেৰালিম্পিকত ভাগ লোৱা ভাৰতীয় খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰিছে বুলি কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত শ্ৰীমোদীয়ে কৈছে যে, প্ৰতিগৰাকী খেলুৱৈৰ সাহস আৰু একাগ্ৰতা সমগ্ৰ দেশৰ বাবে অনুপ্ৰেৰণাৰ উৎস। দেশবাসীয়ে খেলুৱৈ সকলৰ সফলতাৰ কামনা কৰা বুলিও প্ৰধানমন্ত্ৰী মোদীয়ে লগতে উল্লেখ কৰে।

০০০০০০০

'উন্মুক্ত বাংলা সীমান্ত ৪ দশমিক ৩ - ৫ কিলোমিটাৰ, দিল্লীলৈ নপঠিয়ালে ৬ নম্বৰ দফা সমিতিৰ প্ৰতিবেদন' শীৰ্ষক এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক অসম** কাকতে 'অসম চুক্তি, এন আৰ চিক লৈ বিধানসভাত সৰৱ কংগ্ৰেছ - ৬ নম্বৰ দফাক লৈ কেৰল ল'ৰা-ধেমালি', **দৈনিক জনমভূমি** কাকতে 'অসম চুক্তিক লৈ চৰকাৰক সমালোচনাৰে থকা-সৰকা বিৰোধীৰ' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। 'এপ্ৰিলত শ্বেতপত্ৰ প্ৰকাশ কৰিব চৰকাৰে - ৰাজ্যৰ ২৮ হাজাৰ ভোটকেন্দ্ৰৰ ১৯ হাজাৰতে জনগাঁথনিৰ পৰিৱৰ্তন' শীৰ্ষক এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ বিপৰীতে একেটা বাতৰিকে **অসমীয়া খবৰ** কাকতে 'জনগাঁথনিঃ শ্বেতপত্ৰ প্ৰকাশ কৰিব চৰকাৰে' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। 'কমতাপুৰক গ শ্ৰেণীৰ ৰাজ্যৰ স্বীকৃতি নিদিয়াত ক্ষোভ, ক'লা পতাকা উৰুৱাই হুংকাৰ আক্ৰাছুৰ' শিৰোনামাৰে এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৯ দশমিক ৩ -৫ লাখ লোকে লাভ কৰিব আধাৰ কাৰ্ড শীৰ্ষক এটা বাতৰি **দি আছাম ট্ৰিবিউন** আৰু **দা ছেণ্টিনেল** কাকতৰ লগতে আজি প্ৰকাশিত প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। 'মাছ ধৰিব পাৰক-নোৱাৰক ঘোলা হৈছে পানী' শীৰ্ষক এটা বাতৰি **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – কলকাতাৰ চিকিৎসকৰ ধৰ্ষণ-হত্যাৰ প্ৰথম প্ৰতিক্ৰিয়া ৰাষ্ট্ৰপতিৰ, স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰৰ দাবীত ধৰ্ণা, সমদল, বিক্ৰী হোৱাৰ দিশে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ এণ্ড্ৰিউ উলৰ ১০ বাগিচা, দুলীয়াজানৰ বকুলনিৰ দ্বীপেন খনিকৰলৈ ৰাষ্ট্ৰীয় কৃতি শিক্ষকৰ বঁটা, শিৱসাগৰত দোকান-পোহাৰৰ ফলক অসমীয়াত লিখাৰ নিৰ্দেশ, তেল-গেছ অন্বেষণৰ বাবে বেদান্ত গ্ৰুপক গতাব গিবন অভয়াৰণ্যৰ অংশ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

সমাপ্ত